# স্পষ্টীকৰণ

যোৱা ১৩-০৭-২০১৫ তাৰিখৰ "এদিনৰ সংবাদ" কাকতত প্ৰকাশিত "লেখাপানী থানাৰ অন্তৰ্গত বিভিন্ন অঞ্চলত চুলাই মদ, ড্ৰাগছৰ অবাধ বেহা" শীৰ্ষক বাতৰিটো তিনিচুকীয়া জিলাৰ আৰক্ষী অধীক্ষকৰ দৃষ্টিগোচৰ হৈছে। এই সংক্ৰান্তত আৰক্ষী অধীক্ষকগৰাকীয়ে জনায় যে তিনিচুকীয়া জিলাৰ লেখাপানী থানাৰ অন্তৰ্গত উদয়পুৰ, কুমচাই, নিংগাম, খৰাং, কামপুৰ, লকলা, নমাইল, দহমাইল, নামফা আদি কিছু কিছু অঞ্চলত দেশীয় সুৰা তৈয়াৰ কৰা আৰু সেৱন কৰাৰ কিছু খবৰ পোৱা হৈছে আৰু এই অসামাজিক কাৰ্যকলাপত জড়িত লোকসকলক আটক কৰিবলৈ আৰক্ষীয়ে দৃঢ় প্ৰচেষ্টা চলাই আহিছে।

উল্লেখ কৰিব পাৰি যে আৰক্ষীৰ দৃঢ় পদক্ষেপ আৰু অভিযানৰ উপৰিও লেখাপানী থানাৰ অন্তৰ্গত এই অঞ্চলসমূহত বিভিন্ন স্বেচ্ছাসেৱী আৰু অন্যান্য অনুষ্ঠানৰ সহায়তো মাদক দ্ৰব্যৰ ব্যৱহাৰৰ বিৰুদ্ধে সজাগতা সভা আদি অনুষ্ঠিত কৰি অঞ্চলসমূহত অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে সজাগতা সৃষ্টি কৰি এইসমূহ ৰোধ কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে।

২৭/৭/১৫

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষী মুখ্য কাৰ্য্যালয়,
উলুবাৰী, গুৱাহাটী

# স্পষ্টীকৰণ

আজিৰ সংখ্যাৰ ( ১৭-০৭-২০১৫) "অসমীয়া খবৰ" কাকতত প্ৰকাশিত "সুৰাসক্ত গাড়ীচালকৰ বাবেই মহানগৰীত বৃদ্ধি পাইছে পথ দুৰ্ঘটনা" শীৰ্ষক বাতৰিটো আৰক্ষী আয়ুক্তৰ দৃষ্টিগোচৰ হৈছে। এই সম্পৰ্কত জনোৱা হয় যে ক্ৰমাগত বৃদ্ধি পোৱা যান-বাহনৰ সংখ্যা, গাড়ী চলোৱাৰ নিয়ম-নীতি ভালদৰে নজনা, অত্যধিক গতিবেগত গাড়ী চলোৱা, সুস্পষ্ট পথ-নিৰ্দেশনা নথকা ইত্যাদি নানা কাৰণত পথ দুৰ্ঘটনা হয়। অৱশ্যে, ইয়াৰ লগতে সুৰাসক্ত হৈ গাড়ী চলোৱাৰ বাবেও দুৰ্ঘটনা হয়। আইনী ব্যৱস্থা লোৱাৰ বাবে আৰক্ষীয়ে যান-বাহন আইন ১৯৮৮ চনৰ ১৮৮ ধাৰামতে কাৰ্য কৰিব লাগে। এই ধাৰা মতে নিৰ্দিষ্ট পৰিমাণতকৈ অধিক পৰিমাণৰ সুৰাপান কৰিলে চালকজনৰ ওপৰত নন্ এফ আই আৰ কেছ দি মহামান্য আদালতলৈ প্ৰেৰণ কৰিব লাগে। আৰক্ষীয়ে কোনোধৰণৰ জৰিমণা বিহিব নোৱাৰে। এনে সুৰাসক্ত চালকৰ ক্ষেত্ৰত তেওঁলোকৰ শৰীৰত সুৰাৰ পৰিমাণ নিৰ্দিষ্ট পৰিমাপতকৈ নকমালৈকে যান-বাহন চলাবলৈ দিয়া নহয়। আইনৰ গণ্ডীৰ ভিতৰত সুৰাসক্ত চালকৰ ওপৰত ল'বলগীয়া ব্যৱস্থাসমূহ যান-বাহন আৰক্ষীয়ে লৈ আহিছে। ইয়াৰ উপৰিও সুৰাসক্ত হৈ গাড়ী নচলাবলৈ বিভিন্ন ধৰণৰ সজাগতামূলক কাৰ্য্যসুচী গোটেই বছৰজুৰি ৰূপায়ণ কৰি থকা হৈছে। ব্যৱসায়িক যান-বাহনৰ চালকৰ লগতে বিদ্যালয়-মহাবিদ্যালয়ত সজাগতা সভা অনুষ্ঠিত কৰাৰ উপৰিও বাটৰ নাট, পুস্তিকা বিতৰণ ইত্যাদি নানা মাধ্যমেৰে সজাগতা সৃষ্টিৰ বাবে প্ৰচেষ্টা চলাই অহা হৈছে।

১৭/৭/২০১৫

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষী মুখ্য কাৰ্য্যালয়,
উলুবাৰী, গুৱাহাটী

# স্পষ্টীকৰণ

"জনসাধাৰণ" কাকতৰ ১৪-০৭-২০১৫ তাৰিখৰ সংখ্যাত প্ৰকাশিত "মৈৰাবাৰীত আৰক্ষীৰ চত্ৰছায়াত তীৰ-জুৱাৰ অবাধ বেহা" শীৰ্ষক বাতৰিটো মৰিগাঁও জিলাৰ আৰক্ষী অধীক্ষকৰ দৃষ্টিগোচৰ হৈছে। বাতৰিটো সম্পূৰ্ণ মনেসজা আৰু ভিত্তিহীন। বাতৰিটোত উল্লেখ কৰা অভিযোগ সমূহৰ সম্পৰ্কত মৰিগাঁৰৰ আৰক্ষী অধীক্ষকে স্পষ্ট কৰি দিছে যে জুৱাকে ধৰি অন্যান্য অসামাজিক কাৰ্য্যকলাপৰ বিৰুদ্ধে মৰিগাঁও আৰক্ষীয়ে সদায়েই দৃঢ় পদক্ষেপ গ্ৰহণ কৰি আহিছে। মৈৰাবাৰী থানা এলেকাত বাৰ্তৰিটোত প্ৰকাশ পোৱা ধৰণেৰে অবৈধ সুৰাৰ বিক্ৰী, তীৰ-জুৱা, ড্ৰাগচ আদিৰ মুকলি বেহা চলি থকা নাই আৰু উক্ত থানা এলেকাত যোৱা কেইমাহত "Games & Beating Act/NDPS Act" ৰ অধীনত কেইবাটাও গোচৰ ৰুজু কৰি মদ, জুৱা আৰু অন্যান্য অসামাজিক কাৰ্যকলাপৰ ৰোধ কৰাৰ বাবে দৃঢ় পদক্ষেপ গ্ৰহণ কৰিছে আৰু এই সম্পৰ্কত থানাসমূহৰ ভি ডি পিৰ মাহেকীয়া সভা আৰু ক্ৰাইম কনফাৰেন্সত বিভিন্নধৰণৰ নিৰ্দেশনাও দিয়া হৈছে। সাংবাদিকগৰাকীয়ে বাতৰিটোত এনেধৰণৰ আইনবিৰুদ্ধ কাৰ্য্যৰ লগত আৰক্ষী জড়িত থকা আৰু বিভিন্ন জুৱাৰ আড্ডাৰ পৰা টকা লোৱা বুলি অনা অভিযোগ সম্পূৰ্ণ অসত্য আৰু কল্পনাপ্ৰসূত। আৰক্ষী অধীক্ষক গৰাকীয়ে জিলাখনত যি কোনোধৰণৰ অসামাজিক কাৰ্য্যকলাপৰ বিষয়ে আৰক্ষীক খবৰ দিবলৈ সাংবাদিকগৰাকীৰ লগতে ৰাইজৰ প্ৰতি আহ্বান জনোৱাৰ লগতে এইক্ষেত্ৰত সকলোৰে সহযোগিতা কামনা কৰিছে।

27/9/2015

মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া
অসম আৰক্ষী মুখ্য কাৰ্য্যালয়,
উলুবাৰী, গুৱাহাটী